অসম

কাজিৰঙাৰ ভয়ংকৰ দুর্ঘটনাৰ পাছত সষ্টম ডিগবৈ আৰক্ষী

প্রকাশ: ১৬ নৱেম্বৰ ২০২৬, আবেলি ৪:০৬



(NewzNow)

কেচা চাহপাত কঢ়িওৱা গাড়ী তালাচী:

কাজিৰঙাত ভয়ংকৰ দুর্ঘটনাৰ পাছত সষ্টম ডিগবৈ আৰক্ষী। তীব্র বেগী কেচা চাহপাত কঢ়িওৱা গাড়ীৰ বিৰুদ্ধে অভিযান আৰম্ভ কৰিছে আৰক্ষীয়ে। ডিগবৈ চহৰৰ মাজেদি যোৱা কেচা চাহপাত গাড়ীৰ প্রয়োজনীয় নথি পত্র পৰীক্ষা কৰাৰ লগতে চালকৰ বৈধ অনুজ্ঞাপত্র নিৰীক্ষণ কৰিছে। কেচা চাহপাত কঢ়িওৱা গাড়ীৰ লগতে আন যান বাহন সমুহো তালাচী চলাইছে আৰক্ষীয়ে। উল্লেখ্য যে ডিগবৈ চহৰৰ মাজেদি যোৱা কেচা চাহপাত কঢ়িওৱা সৰু ডাঙৰ গাড়ী সমুহ তীব্র বেগত চলাচল কৰাত পথাচাৰীৰ সমস্যা হয়। এনে তীব্রবেগী গাড়ীৰ বাবে বহুতো দুর্ঘটনাও সংঘটিত হৈ গৈছে।

কাজিৰঙাৰ ভয়ংকৰ পথ দুর্ঘটনাৰ পাছতে সষ্টম হৈ পৰিছে ডিগবৈ আৰক্ষী। চহৰখনৰ মাজেৰে তীব্র বেগত চলাচল কৰা কেঁচা চাহপাত কঢ়িওৱা বাহনৰ বিৰুদ্ধে আৰম্ভ কৰিছে তালাচী অভিযান।

আজিৰ পৰা কেঁচা চাহপাত কঢ়িওৱা প্রতিখন বাহন পৰীক্ষা কৰিছে আৰক্ষীয়ে। অভিযানত বাহনসমূহৰ প্রয়োজনীয় নথি-পত্র আৰু চালকৰ বৈধ অনুজ্ঞাপত্র নিৰীক্ষণ কৰাৰ লগতে আন যান-বাহনতো তালাচী চলোৱা হৈছে।

উল্লেখ্য যে, ডিগবৈ চহৰৰ মাজেৰে তীব্ৰ বেগত চলাচল কৰা কেঁচা চাহপাত কঢ়িওৱা সৰু-বৰ বাহনৰ বাবে দীৰ্ঘদিন ধৰি সমস্যাৰ সন্মুখীন হৈ আহিছে পথচাৰী। এনে বাহনৰ বাবে পূৰ্বেও পথ দুৰ্ঘটনা সংঘটিত হোৱাৰ অভিযোগ উত্থাপিত হৈছে।

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/3457/kajirongar-bhoyngkor-durghotonar-pasot-sostom-digoboi-aroksi